# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-10-2024
**Time :** 21-25 Hrs

## Assamese Night Bulletin
::::::::::::::::::::::::::::::::::::::::

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়। অৱশ্যে চামগুৰি বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ পৰিক্ষণ প্ৰক্ৰিয়া কাইলৈ পুৱা ১১ বজালৈ স্থগিত ৰখা হৈছে। আজি মনোনয়ন পত্ৰ পৰীক্ষা কৰা অনুসৰি ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। মনোনয়নে পত্ৰ প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰ ধাৰ্য কৰা হৈছে।

ooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ নিৰ্মীয়মান পাণ্ডু বন্দৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ জলপথ আৰু জাহাজ পৰিবহন খণ্ডক সুসজ্জিত কৰাৰ বাবে নিৰ্মাণ হৈ থকা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জাহাজ মেৰামতি কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক অতি তৎপৰতাৰে আৰু নিয়াৰিকৈ ইয়াৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পাণ্ডু বন্দৰ আৰু ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটোৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী গতিশক্তিক ত্বৰান্বিত কৰিবলগীয়া এই প্ৰকল্পই জলপথৰ আন্তঃগাঁথনি সুদৃঢ় কৰাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰকাশ কৰে।

ooo

সমগ্ৰ দেশতে আজিৰে পৰা ৰাজহুৱা জীৱনত সততা আৰু এখন দুৰ্নীতিমুক্ত সমাজৰ বাবে তদাৰকী সজাগতা সপ্তাহ ২০২৪ পালন কৰা হৈছে। এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে দেশৰ সমৃদ্ধিৰ বাবে সাংস্কৃতিক সমন্বয়। এই সপ্তাহত বিভিন্ন মন্ত্ৰ্যালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু বিভিন্ন সংস্থাৰ বিষয়া-কৰ্মচাৰীসকলে শপতগ্ৰহণ কৰিব। দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে এই সপ্তাহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লভভাই পেটেলৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এই তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয়। আজিৰ পৰা ৩০ নৱেম্বৰলৈ উদযাপন কৰিবলগীয়া তদাৰকী সজাগতা সপ্তাহ উপলক্ষে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

ইফালে, আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত এই সপ্তাহ উপলক্ষে বিষয়া-কৰ্মচাৰীসকলক একতাৰ শপতবাক্য পাঠ কৰায়।

এই সপ্তাহৰ সৈতে সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত সতৰ্কতা সম্পৰ্কীয় বিশেষ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্দীপ সেনগুপ্ত, ইন্দ্ৰজিত দাস আৰু গৌতম বিশ্বাসৰ দ্বাৰা গঠিত আকাশবাণী গুৱাহাটীৰ দলে চুড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। আকাশবাণী আৰু দূৰদৰ্শনৰ মাণ্ডলিক কাৰ্যালয়ৰ দলে দ্বিতীয় আৰু দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ দলে তৃতীয় স্থান লাভ কৰে।

০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা একতাৰ দৌৰ ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই কথা ঘোষণা কৰি কয় যে এইবাৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী দীপাৱলী উৎসৱৰ সৈতে একে সময়তে হোৱাৰ বাবে একতাৰ দৌৰ কাইলৈ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক দলে-বলে ওলাই আহি এই দৌৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্যৰ মন্ত্ৰৰ লগতে সুস্বাস্থ্যৰ মন্ত্ৰক সকলোৰে মাজত বিয়পাই দিবলৈ আহ্বান জনায়।

ইয়াৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত কাইলৈ বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে একতাৰ দৌৰ কাৰ্যসূচী হাতত লৈছে। পুৱা ৬ বজাত আৰম্ভ হ'বলগীয়া এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰিব।

০০০

ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি বৰপেটা জিলাৰ আয়ুক্ত কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হোৱা এখন বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু বিভাগীয় বিষয়াসকলৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী গ্ৰামীন আৱাস যোজনা, এম জি এনৰেগা, পঞ্চদশ বিত্তীয় আয়োগৰ অধীনৰ কাম-কাজ আৰু অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আদিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰী দাসে পঞ্চায়তৰ সকলো আঁচনিৰ কাম-কাজ জিলা আয়ুক্তক নিৰীক্ষণ কৰাৰ বাবে নিৰ্দেশ প্ৰদান কৰে। জিলাখনৰ খাদ্য, ৰাজহুৱা বিতৰণ, আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে নতুন ৰেচন কাৰ্ড প্ৰদান প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ বুজ লয়।

০০০

মৰিগাওঁ জিলা আয়ুক্তৰ সভাকক্ষত আজি নাৰ্কো সমন্বয় কেন্দ্ৰৰ মাহেকীয়া বৈঠকত ড্ৰাগছ সম্পৰ্কীয় সমস্যা আৰু ভৱিষ্যত কাৰ্যপন্থাৰ বিষয়ে আলোচনা কৰা হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আৰক্ষী অধীক্ষক অতিৰিক্ত জিলা আয়ুক্ত, যুটীয়া স্বাস্থ্য সঞ্চালককে ধৰি বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০

নগাওঁ চহৰৰ হয়বৰগাওঁ নিৱাসী বিশিষ্ট শিক্ষাবিদ বিমল বৰাৰ আজি সন্ধিয়া নগাওঁৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। নগাওঁ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে ২০০২ চনত অৱসৰ গ্ৰহণ কৰা শিক্ষাবিদগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮২ বছৰ।

০০০

সমাপ্ত